১৯৫৩/এপ্ৰিল১৭

**মতিপুৰ জমিদাৰী কোম্পানী লিমিটেড**

**-বনাম-**

**বিহাৰ ৰাজ্য আৰু অন্যান্য**

-----

**ৰাজা জাংকিনাথ ৰয় আৰু নৰেন্দ নাথ ৰয় আৰু কোম্পানী লিমিটেড**

**-বনাম-**

**বিহাৰ ৰাজ্য আৰু অন্যান্য**

[মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী, ন্যায়াধীশ মুখাৰ্জী, ন্যায়াধীশ এচ. আৰ. দাস, ন্যায়াধীশ গোলাম হাছান, ন্যায়াধীশ ভগৱতী]

১৯৫০চনৰ বিহাৰ লেণ্ড ৰিফৰ্ম এক্ট(বিহাৰ ভূমি সংস্কাৰ আইন)-ৰ উপ ধাৰা নং ২(ও), ২(আৰ) আৰু ৩- কোম্পানীৰ ক্ষেত্ৰত আইন-"ব্যক্তি", "স্বত্বাধিকাৰী", "তেনিওৰ হলদাৰ"ৰ অৰ্থ।

বিহাৰ ভূমি সংস্কাৰ আইন, ১৯৫০-ৰ ধাৰা ২(ও) আৰু ২(আৰ)ত অন্তৰ্ভুক্ত "স্বত্বাধিকাৰী", "তেনিওৰ হলদাৰ"(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী)"-ৰ সংজ্ঞাত ব্যৱহৃত "ব্যক্তি" শব্দটোৱে ভাৰতীয় কোম্পানী আইন, ১৯১৩ৰ অধীনত ইনকৰপোৰেটেদ(সন্মিলিত) কোম্পানীসমূহ সামৰি লয়। এই আইনৰ বিষয় বা প্ৰসংগত "স্বত্বাধিকাৰী", "তেনিওৰ হলদাৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী)"ৰ অৰ্থত কোম্পানী এটাক অন্তৰ্ভুক্ত কৰাত বাধা প্ৰদান কৰিব পৰা কোনো প্ৰতিকূল উক্তি নাই। ইয়াৰ বিপৰীতে আইনখনৰ উদ্দেশ্য সম্পূৰ্ণৰূপে প্ৰভাৱিত কৰাৰ বাবে এনে অন্তৰ্ভুক্তিৰ প্ৰয়োজন আছে।

*ফাৰ্মাচিউটিকেল ছ'চাইটি বনাম দ্য লণ্ডন এণ্ড প্ৰভিন্সিয়েল চাপ্লাই এছ'চিয়েচন, লিমিটেড* (১৮৮০) ৫ এপ. কেছ. ৮৫৭- বিশিষ্ট।

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ:- ১৯৫৩চনৰ দেৱানী আপীল নং৬২ আৰু ৬৩। ১৯৫২চনত পাটনাৰ উচ্চ ন্যায়ালয়(ন্যায়াধীশ ৰামাস্বামী আৰু ন্যায়াধীশ সৰ্জু প্ৰসাদ)ৰ ১৯৫২চনৰ বিবিধ ন্যায়িক গোচৰ নং ২৩৮ আৰু

২৪২/-ত ১৯৫২ চনৰ ২২ডিচেম্বৰৰ ৰায় আৰু আদেশৰ ওপৰত ভাৰতীয় সংবিধানৰ ১৩২(১) অনুচ্ছেদৰ অধীনত কৰা আপীলসমূহ।

দুয়োটা আপীলত আপীলকাৰীৰ পক্ষত *পি. আৰ. দাস* (*জে. চি. সিনহা* আৰু *এল. কে. চৌধুৰীৰ* সৈতে)।

দুয়োটা আপীলত উত্তৰদাতাৰ পক্ষত ভাৰতৰ *এটৰ্নী জেনেৰেল এম. চি. চেটালভাদ* (*এল. এন. সিংহ* আৰু *বজৰং সাহাইৰ* সৈতে)।

১৯৫৩চনত ১৭ এপ্ৰিলত ন্যায়াধীশ এছ. আৰ. দাসে ৰায় দিয়ে।

ন্যায়াধীশ দাস- এই ৰায়ে একেলগে শুনানী লোৱা ১৯৫৩চনৰ ৬২ আৰু ৬৩ নং দেৱানী আপীলৰ নিষ্পত্তি কৰে।

১৯৫৩চনৰ দেৱানী আপীল নং৬২-ৰ আপীলকাৰী- মতিপুৰ জমিদাৰী কোম্পানী লিমিটেড, ১৯৫৩চনত ভাৰতীয় কোম্পানী আইনৰ অধীনত সন্মিলিত কৰা হৈছিল আৰু ইয়াৰ পঞ্জীয়নকৃত কাৰ্যালয় বংগত আছে। এই কোম্পানীয়ে মতিপুৰ চুগাৰ ফেক্টৰী লিমিটেড নামৰ এটা ভগ্নী প্ৰতিষ্ঠানলৈ কুঁহিয়াৰ যোগান ধৰে। ১৯৫৩চনৰ চি. এ. নং ৬৩-ৰ আবেদনকাৰী- ৰাজা জানকীনাথ ৰয় এণ্ড নৰেন্দ্ৰ নাথ ৰয় এণ্ড কোম্পানী লিমিটেডক ১৯৩৩চনত ভাৰতীয় কোম্পানী আইনৰ অধীনত সন্মিলিত কৰা হৈছিল আৰু বংগত ইয়াৰ পঞ্জীয়নভুক্ত কাৰ্যালয় আছে। এই কোম্পানীটোৱে বিহাৰ ৰাজ্যৰ পূৰ্ণিয়াৰ লগতে পশ্চিমবংগ ৰাজ্যৰ মালদহতো জমিদাৰী সম্পত্তিৰ গৰাকী। তাৰোপৰি এই প্ৰতিষ্ঠানে বেংকাৰ(বেংকৰ মালিক) আৰু ফাইনেনচিআৰ(ধাৰদিওতা) হিচাপে ব্যৱসায় চলায়।

১৯৪৯চনৰ ৩০ডিচেম্বৰত বিহাৰ বিধানসভাৰ দ্বাৰা বিহাৰ ভূমি-সংস্কাৰ বিধেয়ক শীৰ্ষক এখন বিধেয়ক গৃহীত হয় আৰু ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে আছুতীয়াকৈ ৰখা হৈছে আৰু যিখনে ১৯৫০চনৰ ১১ছেপ্টেম্বৰত তেওঁৰ সন্মতি লাভ কৰিছে। এইদৰে গৃহীত আৰু সন্মতি প্ৰাপ্ত আইনখন ১৯৫০চনৰ ২৫ছেপ্টেম্বৰত বিহাৰ গেজেটত প্ৰকাশ কৰা হৈছিল আৰু আইনখনৰ ধাৰা ১(৩)-ৰ দ্বাৰা ৰাজ্য চৰকাৰক প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি ৰাজ্য চৰকাৰে প্ৰকাশ কৰা এক জাননীৰ জৰিয়তে একেদিনাখনেই কাৰ্যকৰীও কৰা হৈছিল।

জমিদাৰী সম্পত্তিৰ বহু স্বত্বাধিকাৰী আৰু তেনিওৰ হলদাৰ(নির্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী)–এ বিহাৰ বিধানসভাৰ আইনী ক্ষমতাৰ বাহিৰত বুলি দাবী কৰা আইনখনৰ অধীনত অন্যথা নিস্ফল, ৰাজ্য চৰকাৰক সম্পত্তি অধিগ্ৰহণ কৰাত বাধা দিয়াৰ উদ্দেশ্যে বিহাৰ ৰাজ্যৰ বিৰুদ্ধে উপযুক্ত নির্দেশৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছিল। ১৯৫১চনৰ ১২মার্চত পাটনা উচ্চ ন্যায়ালয়ৰ এক বিশেষ বিচাৰপীঠে এই আইনখন সংবিধানৰ ১৪নং অনুচ্ছেদৰ উলংঘনৰ বাবে অসাংবিধানিক বুলি ঘোষণা কৰিছিল। বিহাৰ ৰাজ্যই এই আদালতত আপীল আবেদন কৰে। সেই আবেদন স্থগিত ৰাখি অস্থায়ী সংসদে সংবিধান (প্ৰথম সংশোধনী) আইন, ১৯৫১ গৃহীত কৰে। মূল আবেদনত উত্তৰদাতাসকলে সংবিধান সংশোধন কৰা আইনখন অবৈধ বুলি কৰা দাবী এই আদালতত উপস্থাপন কৰি পদক্ষেপ লৈছিল। অৱশ্যে, আদালতে ১৯৫১চনৰ ৫অক্টোবৰত সংশোধনী আইনৰ বৈধতা সমৰ্থন কৰে। ১৯৫১চনৰ ৬নৱেম্বৰত বিহাৰ আইনৰ ৩নং ধাৰাৰ অধীনত জাননী জাৰি কৰি ঘোষণা কৰা হৈছিল যে, অধিসূচনাত নির্দিষ্ট কৰা আবেদনকাৰীসকলৰ কিছুমান টাউজি(TOUZIES) ৰাজ্যখনলৈ প্ৰেৰণ কৰা হৈছিল আৰু ৰাজ্যত নিহিত হৈ পৰিছিল। দুয়োজন আবেদনকাৰীয়ে সংবিধানৰ ২২৬নং অনুচ্ছেদৰ অধীনত পাটনা উচ্চ ন্যায়ালয়ত পৃথক আবেদন দাখিল কৰি, উক্ত জাননীৰ ভিত্তিত *মেণ্ডেমাচ*(পৰমাদেশ) আৰু অন্যান্য আনুসংগিক সাহায্যৰ বাবে উত্তৰদাতাক তেওঁলোকৰ নিজ নিজ সম্পত্তি বা তেনিওৰচ্ (উক্ত সময়সীমাৰ বাবে স্বৰ্ত) দখল কৰাত বাধা দিয়াৰ বাবে উপযুক্ত নির্দেশনা বা আদেশৰ প্ৰাৰ্থনা জনাইছিল। আইনখন বাতিলৰ ঘোষণা কৰা বিশেষ বিচাৰপীঠৰ নির্দেশৰ বিৰুদ্ধে বিহাৰ ৰাজ্যই দাখিল কৰা আবেদনসমূহ এই আদালতৰ আগত শুনানিৰ বাবে উত্থাপিত হৈছিল আৰু এই আদালতে সংখ্যাগৰিষ্ঠ ৰায়দানত উল্লেখ কৰা কেইটামান ব্যৱস্থাৰ বাহিৰে আইনখনৰ বৈধতা সমৰ্থন কৰিছিল, যিবোৰ *চেভাৰেবল*(পৃথক কৰিব পৰা) বুলি ধৰা হৈছিল। ইয়াৰ পিছতে পাটনা উচ্চ ন্যায়ালয়ৰ আগত ২২৬নং অনুচ্ছেদৰ অধীনত দুয়োজন আবেদনকাৰীয়ে দাখিল কৰা দুয়োখন আবেদন শুনানিৰ বাবে আহিছিল আৰু ১৯৫২চনৰ ২২ডিচেম্বৰত সেই আদালতৰ এখন বিচাৰপীঠে আবেদন কেইখন নাকচ

কৰিছিল। বৰ্তমানৰ আপীলবোৰ উক্ত নাকচৰ বিৰুদ্ধে পাটনা উচ্চ ন্যায়ালয়ৰ অনুমতি লৈ দাখিল কৰা হৈছে।

উচ্চ ন্যায়ালয়ৰ আগত উত্থাপন কৰা প্ৰশ্নটো আছিল এইয়ে যে, এই আইনখন প্ৰকৃততে, ভাৰতীয় কোম্পানী আইনৰ অধীনত অন্তৰ্ভুক্ত কোম্পানীসমূহৰ জমিদাৰী ইষ্টেটৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ উদ্দেশ্যত আছিল নেকি? লগতে, এনে কথা নহয় বুলি আবেদনকাৰীসকলৰ যুক্তিৰ সমৰ্থনত এই যুক্তি দিয়া হৈছিল যে, বিহাৰ বিধানমণ্ডলৰ এখন ৰাজ্যত সীমাবদ্ধ নোহোৱা ব্যৱসায়িক নিগম বা অ-ব্যৱসায়িক নিগমৰ ক্ষেত্ৰত আইন প্ৰণয়ন কৰাৰ কোনো কৰ্তৃত্ব নাই। প্ৰথম তালিকাৰ ৪৩, ৪৪ আৰু ৪৫নং প্ৰবিষ্টিৰ সন্দৰ্ভত উল্লেখ কৰা হৈছে যে, কেৱল সংসদহে সেই প্ৰবিষ্টিসমূহত উল্লেখ কৰা বিষয়সমূহৰ সন্দৰ্ভত আইন প্ৰণয়ন কৰিবলৈ সক্ষম আছিল। যুক্তি আছিল যে, বিহাৰ বিধানসভাই আইন প্ৰণয়ন কৰাৰ সময়ত কেন্দ্ৰীয় ক্ষেত্ৰ উলংঘন কৰিছিল আৰু সেয়েহে আইনখন অবৈধ আছিল। এই আইনখনৰ ব্যৱস্থা লগতে কোম্পানী আইনৰ শেষৰফালৰ ব্যৱস্থাসমূহৰ উল্লেখেৰে এই যুক্তিক সমৰ্থন কৰা হৈছে। পাটনা উচ্চ ন্যায়ালয়ে এই যুক্তি বাতিল কৰিছিল আৰু এই আবেদনসমূহৰ সমৰ্থনত উপস্থিত থকা শ্ৰীযুত পি. আৰ. দাসে পাটনা উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ এই অংশটোক প্ৰত্যাহ্বান জনোৱা নাছিল।

শ্ৰীযুত পি. আৰ. দাসে আহ্বান জনোৱা মূল কথাটো হ'ল এইয়ে যে, বিহাৰ বিধানসভাই নিগমিত কোম্পানীসমূহৰ জমিদাৰী সম্পত্তি অধিগ্ৰহণৰ বাবে বিধি প্ৰণয়ন কৰিব পাৰিলেও কৰা নাছিল, কিন্তু এই আইনৰ দ্বাৰা প্ৰকৃততে তেনে কাৰ্য্য কৰিছিল। ধাৰা ৩-এ ৰাজ্য চৰকাৰক জাননীৰ জৰিয়তে ঘোষণা কৰিবলৈ ক্ষমতা প্ৰদান কৰে যে, এজন স্বত্বাধিকাৰী বা তেনিওৰ হলদাৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী)ৰ সম্পত্তি বা তেনিওৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগস্বৰ্ত) ৰাজ্যখনলৈ হস্তান্তৰিত হৈ গৈছে আৰু ৰাজ্যত প্ৰক্ষেপিত হৈ পৰিছে। এইকথা সৰোগত কৰা হয় যে, এই ধাৰাৰ অধীনত ১৯৫১চনৰ ৬নৱেম্বৰত ৰাজ্য চৰকাৰে ৰাজ্যখনৰ ভিতৰত অৱস্থিত আবেদনকাৰীসকলৰ সম্পত্তি সম্পৰ্কে জাননী জাৰি কৰিছিল। শ্ৰীযুত পি. আৰ. দাসৰ মূল যুক্তি হ'ল যে, আবেদনকাৰী কোম্পানীবোৰ আইনৰ দ্বাৰা নিৰ্ধাৰিত "স্বত্বাধিকাৰী" বা "তেনিওৰ হলদাৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে

ভূমিৰ ভোগদখলকাৰী)"ৰ চৰ্তৰ ভিতৰত নাহে আৰু ফলস্বৰূপে তেওঁলোকৰ সম্পত্তিৰ কোনো অংশই "ৰাজ্যত নিহিত বা প্ৰকৃততে নিহিত" হোৱাৰ উদ্দেশ্যত নাছিল। ধাৰা ২(ও)ৰ দ্বাৰা স্বত্বাধিকাৰীক সংজ্ঞায়িত কৰা হৈছে, যাৰ অৰ্থ হৈছে- ন্যাসত থকা বা নিজৰ লাভৰ বাবে সম্পত্তি বা ৰাজ্যৰ এটা অংশৰ গৰাকী ব্যক্তি আৰু ইয়াত এজন হাইয়াৰ (মৃত ব্যক্তিৰ সম্পত্তিৰ উত্তৰাধিকাৰী) আৰু চাকচেচৰ-ইন-ইন্টাৰেষ্ট অৱ এ প্ৰপ্যাৰটৰ (স্বত্বাধিকাৰীৰ উত্তৰাধিকাৰী) অন্তৰ্ভুক্ত হয় আৰু তেওঁৰ অভিভাৱক, সমিতি বা আন আইনী কিউৰেটৰ(তত্বাৱধায়ক) সামৰি ল'ব, য'ত স্বত্বাধিকাৰীজন নাবালক বা অনুপযুক্ত মনৰ বা মূৰ্খ হয়। ধাৰা ২(আৰ)-ৰ দ্বাৰা তেনিওৰ হলদাৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী)-ক সংজ্ঞায়িত কৰা হৈছে, যাৰ অৰ্থ হৈছে- এজন ব্যক্তি যিয়ে স্বত্বাধিকাৰী বা কোনো তেনিওৰ হলদাৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী)ৰ পৰা ভূমি ৰখাৰ অধিকাৰ আদি আহৰণ কৰিছে। যুক্তিটো হৈছে যে, ওপৰত উল্লেখ কৰা দুটা সংজ্ঞাত "ব্যক্তি" শব্দটোৱে আইনৰ সন্দৰ্ভত এটা কোম্পানীক অন্তৰ্ভুক্ত নকৰে। এইটো স্বীকাৰ কৰা হয় যে, বিহাৰ সাধাৰণ দফা আইনৰ ধাৰা ৪(৪০)-ৰ অধীনত "ব্যক্তি" শব্দটোৱে সাধাৰণতে এটা কোম্পানীক অন্তৰ্ভুক্ত কৰিব, কিন্তু শ্ৰী পি. আৰ. দাসৰ দ্বাৰা আহ্বান জনোৱা হৈছে যে, সেই খণ্ডত দিয়া সংজ্ঞাবোৰ কেৱল তেতিয়াহে প্ৰযোজ্য হ'ব য'ত বিষয় বা সন্দৰ্ভত কোনো বিৰোধিতা নাই। তেওঁৰ যুক্তি হ'ল যে, "স্বত্বাধিকাৰী" আৰু "তেনিওৰ হলদাৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী)"-ৰ সংজ্ঞাই ইংগিত কৰে যে, জমিদাৰীৰ স্বত্বাধিকাৰী এটা কোম্পানী সেই সংজ্ঞাৰ অধীনত নাহে। আমি এই যুক্তি গ্ৰহণ কৰিব নোৱাৰো। এই কথাত কোনো বিতৰ্ক নাই যে, এটা কোম্পানীয়ে সম্পত্তি বা সম্পত্তিৰ এটা অংশৰ গৰাকী হ'ব পাৰে আৰু অৱশ্যেই আপীলকাৰী কোম্পানীসমূহে কেৱল তেওঁলোকৰ সম্পত্তিৰ সুৰক্ষাৰ বাবে এই আপীল যুঁজি আছে। সেয়েহে, সেইবোৰ সংজ্ঞাটোৰ প্ৰথম অংশৰ অন্তৰ্ভূক্ত। শব্দটোৰ অৰ্থ কি সেয়া উল্লেখ কৰাৰ পিছত সংজ্ঞাটোৱে কিছুমান নিৰ্দিষ্ট পৰিস্থিতিত সংজ্ঞাটোৱে আৰু কি অন্তৰ্ভুক্ত কৰিব, অৰ্থাৎ হাইয়াৰ (মৃত ব্যক্তিৰ সম্পত্তিৰ উত্তৰাধিকাৰী) আৰু চাকচেচৰ-ইন-ইন্তাৰেস্ট (উত্তৰাধিকাৰী)

আদি। "হাইয়াৰ" শব্দটো নিশ্চিতভাৱে এটা কোম্পানীৰ ক্ষেত্ৰত অনুপযুক্ত, কিন্তু কোম্পানীত এজন চাকচেচৰ-ইন-ইন্তাৰেস্ট (উত্তৰাধিকাৰী) থকাৰ ক্ষেত্ৰত কোনো অনুপযুক্ততাৰ কথা নাই। এইটো উল্লেখ কৰা হৈছে যে, স্বত্বাধিকাৰীৰ সংজ্ঞাত সঞ্চালক, মেনেজিং (ব্যৱস্থাপনা) এজেণ্ট আৰু ৱাইন্ডিং আপ (বন্ধ হোৱা)-ৰ ক্ষেত্ৰত কোম্পানীটোৰ লিকুইডেটাৰ (ঋণ শোধাৰ্থে সম্পত্তিৰ অংশ অধিগ্ৰহন কৰোতাঁ) ক অন্তৰ্ভুক্ত কৰাৰ কোনো ব্যৱস্থা নাই। এই পৰিস্থিতিয়ে আমাৰ দৃষ্টিত "স্বত্বাধিকাৰী" শব্দটোৱে এটা কোম্পানীক সামৰি লোৱা নাই বুলি ধাৰণা কৰাৰ এক স্পষ্ট কাৰণ যেন প্ৰকট নহয়। এইটো মন কৰিবলগীয়া যে, এজেণ্ট বা ইনচ্‌লভেন্সি (দেউলিয়া হোৱা)-ৰ ক্ষেত্ৰত, এজন ব্যক্তিগত স্বত্বাধিকাৰীৰ চৰকাৰী নিযুক্ত ব্যক্তি বা গ্ৰহণকাৰীও উক্ত সংজ্ঞাত অন্তৰ্ভুক্ত নহয়। নাবালক বা অস্থিৰ মনৰ স্বত্বাধিকাৰী বা মূৰ্খ আৰু তেওঁৰ অভিভাৱক আদিৰ প্ৰসংগ স্পষ্টভাৱে প্ৰয়োজনীয় আছিল কাৰণ, সেই স্বত্বাধিকাৰীসকল আইনী অক্ষমতাত ভুগিছিল।

শ্ৰীযুত পি. আৰ. দাসে আমাক আইনখনৰ ৪৩নং ধাৰাৰ অধীনত প্ৰস্তুত কৰা বিভিন্ন ধাৰা আৰু নিয়মৰ কথা উল্লেখ কৰি দেখুৱাইছে যে, কেৱল নেচাৰেল পাৰচন (স্বাভাৱিক ব্যক্তি) সকলহে এই আইনৰ দ্বাৰা প্ৰভাৱিত হোৱাটো উদ্দেশ্য আছিল, কিয়নো, তেওঁ জোৰ দি কয় যে কোম্পানীটো উল্লিখিত কাৰ্যসমূহ কৰিবলৈ সক্ষম নহয়। শ্ৰী পি. আৰ. দাসে বিৰোধ কৰা নাছিল যে, এটা ইনকৰ্পোৰেটেড (নিগমিত) কোম্পানীৰ ফালৰ পৰা সঞ্চালক বা ব্যৱস্থাপনা এজেণ্ট বা ইয়াৰ সংগঠনৰ নিবন্ধসমূহৰ অধীনত সেই দিশত ক্ষমতাপ্ৰাপ্ত অন্যান্য বিষয়াসকলৰ দ্বাৰা এই সকলোবোৰ কাৰ্য্য কৰাত কোনো অসুবিধা নাই, কিন্তু তেওঁৰ যুক্তি এইয়ে আছিল যে, ভাৰতীয় কোম্পানী আইনৰ ব্যৱস্থাসমূহ তেওঁৰ আইনৰ ব্যৱস্থাসমূহৰ বিবেচনালৈ আৰোপিত কৰা উচিত নহয়। তেওঁ প্ৰাথমিকভাৱে *ফাৰ্মাচিউটিকেল ছ্চাইটি বনাম লণ্ডন এণ্ড প্ৰভিন্সিয়েল সাপ্লাই এছ্চিয়েশ্যন, লিমিটেড* [1] গোচৰৰ ওপৰত নিৰ্ভৰ কৰে, য'ত এই কথা উপস্থাপন কৰা হৈছিল যে, এখন নিগম ১৮৬৮চনৰ ফাৰ্মাচী আইন (৩১ আৰু ৩২ ভিক., অধ্যায় ১২১)-ত ব্যৱহৃত "ব্যক্তি" শব্দৰ অৰ্থত

[1] (১৮৮০) এল. আৰ. ৫ এপ. কেছ. ৮৫৭

অন্তৰ্ভুক্ত নাছিল। ৮৬৩পৃষ্ঠাৰ লৰ্ড চেলবৰ্ণ এল. চি.-ৰ পৰ্যবেক্ষণৰ ওপৰত ভিত্তি কৰা হৈছে। সেই আইনখনৰ প্ৰস্তাৱনাত অন্যান্য বিষয়ৰ লগতে উল্লেখ কৰা হৈছিল যে, "জনসাধাৰণৰ সুৰক্ষাৰ বাবে বিষাক্ত পদাৰ্থৰ খুচুৰা বিক্ৰী, বিতৰণ বা সংযোজনৰ বাবে দোকান মুকলি ৰখা ব্যক্তিসকল আৰু ৰসায়নবিদ আৰু ড্ৰাগিষ্ট হিচাপে পৰিচিত ব্যক্তিসকলৰ ক্ষেত্ৰত ব্যৱসায়ৰ এক দক্ষ ব্যৱহাৰিক জ্ঞান থকাটো বাঞ্চনীয়"। এইটোৱে স্পষ্টভাৱে ঔষধৰ বিষয়ত দক্ষ ব্যক্তিসকলক বিবেচনা কৰিছিল আৰু ব্যৱসায়ৰ বিষয়ে বিশেষ একো নজনা অব্যক্তিগত নিগমিত সংস্থা ধৰা নাছিল। দৰাচলতে, *ফাৰ্মাচিউটিকেল ছ্চাইটিৰ* গোচৰত[2] হাউচ অৱ লৰ্ডছত লৰ্ড ব্লেকবেৰ্নে বক্তৃতাত এই প্ৰস্তাৱনাটো উল্লেখ কৰিছিল আৰু ৮৭০পৃষ্ঠাত পৰ্যবেক্ষণ কৰিছিল যে-

"এই স্থানত থমকি ৰ'লে একেবাৰে স্পষ্টভাৱে ধৰা দিয়ে যে, যিসকলে সেই ভাষা ব্যৱহাৰ কৰিছিল তেওঁলোকে নিগমৰ কথা ভবা নাছিল। এখন নিগমে এক অৰ্থত জনসাধাৰণক সুৰক্ষিত কৰাৰ সকলো গুৰুত্বপূৰ্ণ উদ্দেশ্যত ব্যৱসায়ৰ এক যোগ্য জ্ঞান থাকিব পাৰে, যদিহে ই যোগ্য সঞ্চালক, ব্যৱস্থাপক আদি নিয়োগ কৰে। কিন্তু, নিজৰ ভিতৰত সম্ভৱতঃ এক দক্ষ জ্ঞান থাকিব নোৱাৰে। আধ্যাত্মিক সত্তা, আইনী 'ব্যক্তি', নিগমৰ সম্ভৱতঃ এক দক্ষ জ্ঞান থাকিব নোৱাৰে। লগতে, মই ভাবিবও নোৱাৰো যে এখন নিগমক 'এজন ৰসায়নবিদ আৰু ড্ৰাগিষ্ট হিচাপে পৰিচিত ব্যক্তি' বুলি ধৰিব পাৰি।

লৰ্ডশ্বিপে তেতিয়া সেই আইনৰ ধাৰা ১ আৰু ১৫ৰ উল্লেখ কৰিছিল আৰু এই সিদ্ধান্তত উপনীত হৈছিল যে, সেই আইনৰ "ব্যক্তি" শব্দটোৰ অৰ্থ হৈছে এজন নেচাৰেল পাৰচন(স্বাভাৱিক ব্যক্তি)। সেই গোচৰৰ "প্ৰভাৱটো হ'ল এইয়ে যে, এখন বিধিৰ "ব্যক্তি" শব্দটো নিগমক অন্তৰ্ভুক্ত কৰা বুলি গণ্য কৰিব পাৰি নে, নাই সেইটো বিধিৰ উদ্দেশ্য আৰু সেই উদ্দেশ্যক কাৰ্যকৰী কৰাৰ লক্ষ্যৰে গৃহীত আইনসমূহৰ বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। প্ৰস্তাৱনাত উল্লেখ কৰা সেই আইনৰ উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি সেই আইনৰ অধীনত "ব্যক্তি" শব্দটোৱে সম্ভৱতঃ নিগমক অন্তৰ্ভুক্ত কৰিব নোৱাৰে বুলি কোনো সন্দেহ থাকিব নোৱাৰে। ৮৬৩পৃষ্ঠাৰ শেষৰ ফালে লৰ্ড চেলবৰ্ণে

---

[2] (১৮৮০) এল. আৰ. ৫ এপ. কেছ. ৮৫৭

১৪নং ধাৰাৰ উল্লেখেৰে কৈছে যে, বিধানমণ্ডলে "ব্যক্তি" শব্দটোৰ দ্বাৰা কেৱল ব্যক্তিসকলকহে উল্লেখ কৰিছিল কিয়নো সেই আইনত ব্যৱহাৰ কৰা "ব্যক্তি" শব্দটোৰ ভিতৰত এক নিগমক অন্তৰ্ভুক্ত কৰাটো সেই আইনৰ বিষয়ৰ স্পষ্টভাৱে বিৰোধী আছিল। শ্ৰীযুত পি. আৰ. দাসে অনুৰোধ কৰে যে, লৰ্ড চেলবৰ্ণৰ ৰায়দান এই কথাৰ ওপৰত ভিত্তি কৰিছিল যে, নিগমখনে "ব্যক্তি" শব্দটোৰ ভিতৰত এই ভিত্তিত অন্তৰ্ভুক্ত নহয় কাৰণ ই স্বাক্ষৰ কৰা লিখিত আবেদন দাখিল কৰাত অক্ষম। এই ভিত্তিত শ্ৰী পি. আৰ. দাসে বিশেষ ভাৱে কয় যে, লৰ্ড চেলবৰ্ণৰ ৰায়দানৰ এই অংশটোৰ প্ৰয়োজনীয় অৰ্থ হ'ল যে, কোম্পানী আইনৰ ব্যৱস্থাৰ ভিতৰত আন আইন গঠনৰ বাবে বিবেচনা কৰাৰ অনুমতি দিয়া হোৱা নাছিল। যদি এইটো লৰ্ড চেলবৰ্ণৰ ভাষণৰ অৰ্থ আছিল, তেন্তে সসন্মানে প্ৰকাশ কৰিম যে, আমি এই যুক্তি গ্ৰহণ কৰিব নোৱাৰোঁ। অৱশ্যে, কোম্পানী আইনৰ ব্যৱস্থাসমূহৰ অবিহনে কোনেও কোনো কোম্পানীৰ কথা ভাবিব নোৱাৰি, কিয়নো এটা কোম্পানী হৈছে কোম্পানী আইনৰ সৃষ্টি। ইয়াৰ অস্তিত্ব, ক্ষমতা আৰু অধিকাৰ সকলো সেই আইনৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। শ্ৰীযুত পি. আৰ. দাসে নিৰ্ভৰ কৰা সম্ভ্ৰান্ত লৰ্ডসকলৰ ভাষণৰ গোচৰটোত প্ৰৱণতা হ'ল এইয়ে যে, বিবেচনাধীন নিৰ্দিষ্ট আইনখনৰ উদ্দেশ্য সেই আইনৰ অধীনত ব্যৱহৃত "ব্যক্তি" শব্দটোৰ ভিতৰত "নিগম" শব্দটো অন্তৰ্ভুক্ত কৰাৰ সম্পূৰ্ণ বিপৰীত আছিল, আৰু আমি এইটো ধাৰণা কৰাৰ দৰে, সেই সিদ্ধান্তই ইয়াৰ বাহিৰে একো উল্লেখ নকৰে।

সম্পত্তিৰ গৰাকী এটা কোম্পানী কেতিয়াও এই আইনৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ উদ্দেশ্য নাছিল বুলি তেওঁৰ যুক্তিৰ সমৰ্থনত, শ্ৰী পি আৰ দাসে ভাৰতীয় কোম্পানী আইনৰ সামৰণিৰ ধাৰাৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰে আৰু যুক্তি দিয়ে যে, বিহাৰ আইনৰ লগত আঁচনিৰ ৱাইন্দিং আপ (অন্ত পেলোৱা) খাপ খোৱাটো সম্ভৱ নহয়। যদি কোম্পানীটোৰ জমিদাৰী সম্পত্তি অধিগ্ৰহণ কৰা হয় আৰু অ-হস্তান্তৰযোগ্য বণ্ডৰ দ্বাৰা ক্ষতিপূৰণ পৰিশোধ কৰা হয়, তেন্তে কোম্পানীটো লিকুইডেশ্যন (ঋণ শোধাৰ্থে সম্পত্তিৰ অংশ অধিগ্ৰহন কৰা) লৈ যোৱাৰ ক্ষেত্ৰত ৱাইন্দিং আপ (অন্ত পেলোৱা) আইন প্ৰয়োগ কৰাটো অসম্ভৱ হ'ব বুলি তেওঁ মত দিয়ে। ৱাইন্দিং আপ (অন্ত

পেলোৱা) কাম চলি থকা আদালতৰ মাজত, যিটো সম্ভৱতঃ আন এখন ৰাজ্যত আছে, বিহাৰ চৰকাৰ আৰু ইয়াৰ বিষয়াসকলক প্ৰভাৱিত কৰে। 'আমি এই বিবাদত কোনো জোৰ দেখা নাই। ধাৰা ৩-ৰ অধীনত এক জাননী জাৰি কৰাৰ পিছত, জমিদাৰী সম্পত্তি ৰাজ্যখনত নিহিত হ'ব আৰু কোম্পানীটোৰ তাত কোনো আগ্ৰহ নাথাকিব। ইয়াৰ একমাত্ৰ অধিকাৰ হ'ব ক্ষতিপূৰণ লাভ কৰা। ৱাইন্দিং আপ (অন্ত পেলোৱাৰ)-ৰ ক্ষেত্ৰত লিকুইডেটাৰে এই আইনৰ দ্বাৰা প্ৰদান কৰা সমাধান অনুসৰণ কৰিব লাগিব। তেওঁ বা কোম্পানীটো আন ৰাজ্যত দেউলিয়া- এজন ব্যক্তিগত স্বত্বাধিকাৰীৰ নিয়োজিত কৰ্মচাৰী বা গ্ৰহণকাৰী কৰ্মচাৰীৰ তুলনাত বেছি বেয়া অৱস্থাত নাথাকিব।

অৱশেষত, শ্ৰী পি. আৰ. দাসে আইনখনৰ ৪১নং ধাৰাৰ ওপৰত দৃঢ়ভাৱে ভিত্তি কৰি দাবী কৰে যে, সেই ধাৰাটো এটা কোম্পানীৰ বাবে সম্পূৰ্ণৰূপে প্ৰযোজ্য নহ'ব আৰু সেই পৰিস্থিতিয়ে নিজেই ইংগিত দিব যে, বিহাৰ বিধানমণ্ডলে এটা সম্পত্তিৰ স্বত্বাধিকাৰী কোম্পানীক এই আইনৰ দ্বাৰা পৰিচালিত কৰাৰ ইচ্ছা কৰা নাছিল। এইটো সঁচা যে কোনো নিগমক ৰাষ্ট্ৰদ্ৰোহ, অপৰাধ বা ব্যক্তিগত হিংসাৰ সৈতে জড়িত কোনো অপৰাধ বা কোনো অপৰাধৰ বাবে দায়বদ্ধ কৰিব নোৱাৰি যাৰ বাবে একমাত্ৰ শাস্তি হৈছে কাৰাবাস বা কৰপোৰেল পানিচমেন্ট(শাৰীৰিক শাস্তি)। (হালছবাৰী, দ্বিতীয় সংস্কৰণ, নৱম খণ্ড, ৫ম অনুচ্ছেদ, পৃষ্ঠা ১৪)। ৪১নং ধাৰাই কেৱল কাৰাবাসৰ শাস্তি নিৰ্ধাৰণ নকৰে। শ্ৰীযুত পি. আৰ. দাসে পৰামৰ্শ দিয়ে যে, কাৰাবাস বা জৰিমনা প্ৰদান কৰাটো অপৰাধৰ গুৰুত্বৰ ওপৰত নিৰ্ভৰ কৰিব, অপৰাধীৰ চৰিত্ৰৰ ওপৰত নহয়। অৱশ্যে, এই যুক্তিটো শ্ৰীযুত পি. আৰ. দাসে নিৰ্ভৰ কৰা গোচৰৰ প্ৰতিবেদনৰ ৮৬৯-৮৭০পৃষ্ঠাত লৰ্ড ব্লেকবেৰ্ণৰ মতামতৰ বিপৰীত হোৱা যেন লাগে। ডাইৰেক্টৰ অৱ পাব্লিক প্ৰচেকিউচনচ -বনাম- কেণ্ট এণ্ড ছাছেক্স কণ্ট্ৰাক্টৰছ লিমিটেড [3] আৰু ৰেক্স -বনাম- আই. চি. আৰ. হালেজ. লিমিটেড আৰু অন্যান্য [4] শীৰ্ষক শেহতীয়া গোচৰবোৰে ইংগিত দিয়ে যে, এটা নিগমক আনকি ইচ্ছা বা মানসিক অৱস্থাৰ প্ৰয়োজন

---

[3] [১৯৪৪] ১ কে. বি. ১৪৬

[4] [১৯৪৪] ১ কে. বি. ৫৫১

হোৱা অপৰাধৰ বাবেও দোষী সাব্যস্ত কৰা হ'ব পাৰে। অৱশ্যে, এটা কোম্পানীক ইচ্ছাকৃত বিফলতা বা অৱহেলাৰ বাবে দোষী সাব্যস্ত কৰা হ'ব পাৰে নেকি বুলি বৰ্তমানে আমাৰ কোনো নিৰ্দিষ্ট মতামত প্ৰকাশ কৰাৰ প্ৰয়োজন নাথাকিলেও, কোম্পানীৰ বিষয়া বা এজেণ্টসকলৰ ক্ষেত্ৰত ধাৰা ৪১-ৰ ব্যৱস্থাসমূহ প্ৰয়োগ কৰাত কোনো অসুবিধা হ'ব নোৱাৰে। ধাৰা৩(১)ৰ অধীনত এক জাননী প্ৰকাশ কৰাৰ পিছত সম্পত্তি ৰাজ্যত আৰোপিত হ'ব। ৪নং অনুচ্ছেদে এনে আৰোপণৰ পৰিণতিৰ কথা উল্লেখ কৰিছে। সেই ধাৰাৰ দফা (জি)-এ নিৰ্ধাৰিত পদ্ধতিৰে প্ৰদান কৰা লিখিত নিৰ্দেশৰ জৰিয়তে সংগ্ৰাহকক এনে সম্পত্তি বা কাৰ্যকাল বা ইয়াৰ কোনো অংশৰ দখলত থকা যিকোনো ব্যক্তিক নিৰ্দেশত নিৰ্দিষ্ট তাৰিখৰ ভিতৰত ইয়াৰ পচেচন(দখল) ত্যাগ কৰিবলৈ আৰু উক্ত নিৰ্দেশ অনুসৰণ সুৰক্ষিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ বা এনে শক্তি ব্যৱহাৰ কৰিবলৈ ক্ষমতা প্ৰদান কৰে। যদি সম্পত্তিৰ দখলত থকা কোম্পানীৰ কোনো বিষয়া বা এজেণ্টে ইচ্ছাকৃতভাৱে এনে আইনী আদেশ মানি চলাত ব্যৰ্থ হয় বা উপেক্ষা কৰে, তেন্তে নিশ্চিতভাৱে তেওঁৰ বিৰুদ্ধে ধাৰা ৪১-ৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। একেদৰে, ধাৰা ৪০-ৰ অধীনত, তাত উল্লেখ কৰা বিষয়াসকলক নিৰ্ধাৰিত পদ্ধতিৰে সেৱা আগবঢ়োৱা লিখিত আদেশৰ দ্বাৰা নিৰ্ধাৰিত তাৰিখৰ আগতে বা পিছত যিকোনো সময়তে এজন স্বত্বাধিকাৰী বা তেনিওৰ হলদাৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী) বা এনে সম্পত্তি বা তেনিওৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিস্বৰ্ত)ৰ দখলত থকা আন যিকোনো ব্যক্তি বা এনে স্বত্বাধিকাৰী, কাৰ্যকালধাৰী বা আন ব্যক্তিৰ কোনো এজেণ্ট(প্ৰতিনিধি) বা কৰ্মচাৰীক আদেশত নিৰ্দিষ্ট সময় আৰু স্থানত এনে নথিপত্ৰ, কাগজ-পত্ৰ বা ৰেজিষ্টাৰ প্ৰস্তুত কৰিবলৈ বা এনে সম্পত্তি বা কাৰ্যকাল সম্পৰ্কীয় তথ্য প্ৰদান কৰিবলৈ ক্ষমতা প্ৰদান কৰা হয়, যি বিষয়াজনৰ বাবে সময়ে সময়ে এই আইনৰ উদ্দেশ্যত প্ৰয়োজন হ'ব পাৰে। এনে নিৰ্দেশ মানি চলাত ইচ্ছাকৃতভাৱে ব্যৰ্থ হ'লে বা অৱহেলা কৰিলে স্পষ্টভাৱে কোম্পানীৰ অবাধ্য বিষয়া বা এজেণ্টক ধাৰা ৪১ৰ অধীনত পৰিশোধ কৰিবলগীয়া জৰিমনাৰ আওতাৰ ভিতৰত আনিব। সেয়েহে, ধাৰা ৪১-এ ইনকৰ্পোৰেটেড (সন্মিলিত) কোম্পানীসমূহৰ ক্ষেত্ৰত আইনখনৰ প্ৰয়োগক অৱশ্যেই বাধা নিদিয়ে।

এইটো অস্বীকাৰ কৰিব নোৱাৰি যে, এটা কোম্পানী সম্পত্তিৰ স্বত্বাধিকাৰ আৰু অধিকাৰ কৰিবলৈ সক্ষম। এনেদৰে *বিহাৰ ৰাজ্য বনাম কামেশ্বৰ সিং* [5] -ত ন্যায়াধীশ মহাজনেৰ দ্বাৰা বিতৰ্কিত আইনখনৰ সম্পূৰ্ণ উদ্দেশ্যটো কোৱা হৈছেঃ

"এতিয়া এইটো স্পষ্ট হৈ পৰিছে যে, কেইবাজনো লোকৰ হাতত বৃহৎ পৰিমাণৰ ভূমি সংহত কৰাটো ভাৰতৰ সংবিধানৰ নীতিৰ বিপৰীত। সেয়েহে বিতৰ্কিত আইনখনে বিবেচনা কৰা অধিগ্ৰহণৰ উদ্দেশ্য হৈছে কেইবাজনো ব্যক্তিৰ হাতত থকা বৃহৎ খণ্ডৰ ভূমি আৰু উৎপাদনৰ ঘণীভূত মাধ্যম আঁতৰ কৰা আৰু এনেদৰে ৰাজ্য চৰকাৰৰ হাতলৈ অহা মালিকানা আৰু নিয়ন্ত্ৰণ বিতৰণ কৰা। অন্য অৰ্থত চমুকৈ ক'বলৈ হ'লে, এই আইনখনৰ আঁৰৰ উদ্দেশ্য হৈছে পৰামৰ্শ অনুসৰি সম্প্ৰদায়ৰ সাধাৰণ লাভালাভৰ বাবে বিহাৰৰ ভূমি বিতৰণ প্ৰণালীত এক সংস্কাৰ সাধন কৰা।"

এই উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি, এজন ব্যক্তিগত স্বত্বাধিকাৰী আৰু সম্পত্তি বা তেনিওৰ হলদাৰ(নিৰ্দিষ্ট সময়সীমাৰ বাবে ভূমিৰ ভোগদখলকাৰী) কোম্পানীৰ মাজত পাৰ্থক্য কৰাৰ কোনো কাৰণ নাই। দৰাচলতে, আইনখনৰ বিষয় বা সন্দৰ্ভত কেৱল ৰিপাগনেন্ট(পৰস্পৰ বিৰোধিতা থকা) একোৱেই নাই যিয়ে "স্বত্বাধিকাৰী" ৰ সংজ্ঞাৰ ভিতৰত সম্পত্তিৰ গৰাকী কোম্পানীক অন্তৰ্ভুক্ত কৰাত বাধা দিব লাগে, আইনখনৰ উদ্দেশ্য সম্পূৰ্ণৰূপে প্ৰভাৱিত কৰিবলৈ এনে অন্তৰ্ভুক্তি প্ৰয়োজনীয়।

১৯৫৩চনৰ ৬৩নং আপীলত শ্ৰী পি. আৰ. দাসে এটা অতিৰিক্ত বিষয় উত্থাপন কৰিছে, অৰ্থাৎ সেই আপীলত আপীলকাৰী কোম্পানীয়ে বিহাৰ জিলাৰ পূৰ্ণিয়া আৰু পশ্চিমবংগ জিলাৰ মালদাত অৱস্থিত সম্পত্তিৰ গৰাকী, কিন্তু পূৰ্ণিয়াৰ একক চৰকাৰী ৰাজহ পৰিশোধ কৰিব লাগে। ইয়াৰ উপৰিও অভিযোগ উত্থাপন কৰা হৈছে যে, আপীলকাৰী কোম্পানীয়ে পাটনি লিজ(Patni Lease)ত সম্পত্তিৰ কিছু অংশ ভাড়ালৈ দিছে, আকৌ প্ৰতিটো পাটনিতে বিহাৰৰ ভিতৰৰ আৰু বাহিৰৰ মাটি অন্তৰ্ভূক্ত। বিহাৰত অৱস্থিত সম্পত্তিৰ সেই অংশটো অধিগ্ৰহণ কৰাৰ ফলত আপীলকাৰী কোম্পানীৰ বাবে

[5] [১৯৫২] এছ. চি. আৰ. ৮৮৯, পৃ.৯৪১

ইয়াৰ ৰাজহ পৰিশোধ কৰা বা ইয়াৰ ভাৰা আদায় কৰাটো অসম্ভৱ নহ'লেও কঠিন হৈ পৰিছে। বিহাৰত থকা সম্পত্তিৰ সেই অংশটো বাকী অংশৰ পৰা পৃথক কৰিব নোৱাৰি আৰু সেয়েহে বিহাৰত অৱস্থিত সম্পত্তিৰ কেৱল অংশটো সামৰি লোৱা জাননী অবৈধ। এই যুক্তিত কোনো গুৰুত্ব আছে বুলি আমি নাভাবো। উচ্চ ন্যায়ালয়ে কোৱাৰ দৰে এইটো ৰাজহৰ ভাগ-বতৰা আৰু ভাৰাৰ ভাগ-বতৰাৰ এক সাধাৰণ গোচৰ। এনে বিভাজনৰ প্ৰয়োজনীয়তাই সম্ভৱতঃ জাননীৰ বৈধতাক প্ৰভাৱিত কৰিব নোৱাৰে।

ওপৰত উল্লেখ কৰা কাৰণবোৰৰ বাবে এই আপীল আবেদনসমূহ বিফল হয় আৰু ব্যয়ৰ সৈতে নাকচ কৰিব লাগিব।

আপীলআবেদনসমূহ নাকচ কৰা হয়।

আপীলকাৰীৰ প্ৰতিনিধি- বি. বি. বিশ্বাস।

উত্তৰদাতাৰ প্ৰতিনিধি- জি. এইচ. ৰাজাধ্যক্ষ।

-----------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়।

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বুলি বিবেচিত হ'ব।"